# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 03-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত ২০২৪ বৰ্ষৰ ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহ প্ৰদান কৰে। অৱসৰপ্ৰাপ্ত সেনা বিষয়া লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতালৈ  অসম বৈভৱ সন্মান আগবঢ়োৱা হয়। সংগীত শিল্পী দ্বীপেন বৰুৱা, নাট্যকাৰ হেমন্ত দত্ত, ক্ৰিকেটাৰ উমা চেত্ৰী আৰু টাটা কনছালটেন্সি ছাৰ্ভিচেছৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ডঃ এছ্ ৰামডুৰাই, ৰাষ্ট্ৰীয় ফৰেনছিক বিজ্ঞান বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ডঃ বাপ্পী পাল আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা ডঃ পূৰবী শইকীয়াক অসম সৌৰভ সন্মান প্ৰদান কৰা হয়।

একেদৰে, শগুণৰ সংৰক্ষণৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি থকা ফুলেশ্বৰী দত্ত আৰু বাইক ৰাইডাৰ মিনাক্ষী দাসকে ধৰি বিভিন্ন ক্ষেত্ৰত সমাজ জীৱনলৈ বিশেষ বৰঙণি আগবঢ়োৱা ১২ গৰাকী ব্যক্তিৰ লগতে আন তিনিটা প্ৰতিষ্ঠান কলিয়াবৰৰ চোৰেং এহেম, তিনিচুকীয়াৰ ইকো-ডেভেলপ ছ'চাইটী আৰু নগাঁৱৰ হাতীবন্ধুলৈ আজি অসম গৌৰৱ সন্মান আগবঢ়োৱা হয়।

০০০০

অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত হ'বলগীয়া  পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। ১১ এপ্ৰিললৈ মনোনয়ন পত্ৰ দাখিল কৰিব পৰা যাব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ১৭ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ১১ মে'ত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

পঞ্চায়ত নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰা তথা কূটাঘাটমূলক কাৰ্য ৰোধ কৰাৰ বাবে হোজাই জিলা দণ্ডাধীশে অস্ত্ৰ-শস্ত্ৰ মজুত ৰখাক লৈ নিষেধাজ্ঞা জাৰি কৰিছে। হোজাই জিলাৰ অন্তৰ্গত অস্ত্ৰৰ অনুজ্ঞাপত্ৰ থকা লোকসকলক তেওঁলোকৰ অস্ত্ৰ-শস্ত্ৰসমূহ থানাত জমা দিবলৈ নিৰ্দেশ দিয়া হৈছে। নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পিছতে এই অস্ত্ৰ-শস্ত্ৰসমূহ অনুজ্ঞাপত্ৰ থকা লোকসকলে ঘূৰাই নিব পাৰিব।

পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতে যোৰহাট জিলাত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। অহা ১১ এপ্ৰিল মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। যোৰহাট জিলাত প্ৰথম পৰ্যায়ত অৰ্থাৎ অহা ২ মে'ত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

বঙাইগাঁও জিলাতো পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচনী আচৰণবিধি বলৱৎ কৰা হৈছে বুলি জিলা আয়ুক্তই প্ৰকাশ কৰিছে। সেয়েহে পঞ্চায়ত এলেকাত কোনো চৰকাৰী বিভাগে চৰকাৰী আঁচনিৰ কাম নতুনকৈ

আৰম্ভ নকৰিবলৈ জিলা আয়ুক্তই সংশ্লিষ্ট বিষয়াসকলক আহ্বান জনায়। উল্লেখযোগ্য যে জিলাখনত অহা ৭ মে'ত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০

অসম কৃষি বিশ্ববিদ্যালয়ত কাইলৈৰ পৰা অহা ৬ এপ্ৰিললৈ হ'বলগীয়া বিভিন্ন পদৰ নিযুক্তিৰ লিখিত পৰীক্ষা সাময়িকভাৱে স্থগিত ৰখা হৈছে। নিৰ্বাচনী অধিসূচনা জাৰি কৰাৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। এটা বিবৃতিৰ জৰিয়তে বিশ্ববিদ্যালয়ে এই কথা প্ৰকাশ কৰিছে।

০০০০

হজৰত আজানপীৰ দৰগাহ পৰিচালনা সমিতিৰ উদ্যোগত আজি শিৱসাগৰত **আজানপীৰৰ জিকিৰত মানৱতাবাদ** শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। আলোচনাচক্ৰখন বিশিষ্ট বুৰঞ্জীবিদ তথা বুৰঞ্জী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক জিতেন বৰপাত্ৰ গোহাঁয়ে উদ্বোধন কৰে। শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সৌমাৰ জ্যোতি মহন্ত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা আলোচনা চক্ৰখনত  জাকিৰুল হুছেইন, দিগন্ত মংগল নেওগ, বিদ্যুৎ বিকাশ গগৈ, বসন্ত গগৈ লগতে বহুসংখ্যক লোক উপস্থিত থাকে।

০০০০

ডিব্ৰুগড়ৰ চৌকিডিঙি খেলপথাৰত সদৌ অসম ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ ৰঙালী বিহু সন্মিলন অহা ২৮, ২৯ আৰু ৩০ এপ্ৰিলত অনুষ্ঠিত হ'ব। এই বিহু সন্মিলনত বৰ বিহুৱতী, মুকলি বিহু আৰু সদৌ অসম ভিত্তিত হুচৰি প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব। এই সন্মিলনত বিশিষ্ট সাহিত্যিক ড০ নগেন শইকীয়া আৰু অভিনেতা বিষ্ণু খাৰঘৰীয়াক ২০২৫ বৰ্ষৰ ডিব্ৰু সন্মান প্ৰদান কৰা হ'ব বুলি আজি জিলাখনৰ ছহিদ ভৱনত অনুষ্ঠিত এখন সংবাদমেলত ডিব্ৰুগড় জিলা ছাত্ৰসন্থাৰ সভাপতিয়ে জানিবলৈ দিয়ে।

০০০০

বি টি চি প্ৰশাসনে আজি কাজলগাঁও পৌৰ সভাৰ কাৰ্যালয়ত জিলাখনৰ ৩০ টাকৈ ক্লাবলৈ ধন বিতৰণ কৰে। প্ৰশাসনে গ্ৰহণ কৰা গ্ৰীণ বড়োলেণ্ড মিছনৰ অংশ হিচাপে প্ৰতিটো ক্লাবক ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হয়। গাঁওসমূহ সেউজকৰণৰ বাবে প্ৰদান কৰা ধন বিতৰণৰ এই অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰী উপস্থিত থাকে।

০০০০

আই পি এল টী টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতা নাইট ৰাইডাৰ্ছে ছানৰাইজাৰ্ছ হায়দৰাবাদক জয়ৰ বাবে ২০১ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত খেলখনত টছত জিকি ছানৰাইজাৰ্ছ হায়দৰাবাদে কলকাতা নাইট ৰাইডাৰ্ছক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। নিৰ্ধাৰিত ২০ অভাৰত দলটোৱে ছটা উইকেট হেৰুৱাই ২০০ ৰান সংগ্ৰহ কৰে। কলকাতাৰ হৈ ভেংকতেশ আয়াৰে সৰ্বাধিক ৬০ ৰান আৰু অংকৃশ ৰঘুবংশীয়ে ৫০ ৰানৰ বৰঙণি আগবঢ়ায়।

০০০০

ঃঃ সমাপ্ত ঃঃ